# NSD NEWS BULLETIN

AKASHVANI, GUWAHATI

0000000000

**Date :** 26-01-2025

**Time :** 13-40Hrs

***Assamese Midday Bulletin***

**:::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত অংশগ্ৰহণ কৰে।

২। সংসদত উত্থাপিত এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰে।

৩। ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমৰ সৰ্বাত্মক বিকাশৰ বাবে চৰকাৰে কাম কৰি অহাৰ কথা উল্লেখ কৰে।

৪। দেশৰ বিভিন্ন প্ৰান্তত ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হৈছে। ***আৰু***

৫। অসমৰ ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি ৰাজ্যত শান্তিৰ নিজৰা ব'বলৈ আৰম্ভ কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কুচকাৱাজত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পৰম্পৰাগত **ঘোঁৰা বাগী**ৰে কৰ্তব্য পথত উপস্থিত হোৱাৰ পাছত সুৰক্ষা বাহিনীসমূহৰ সন্মিলিত অভিবাদন গ্ৰহণ কৰে। কুচকাৱাজৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰি ৰাষ্ট্ৰৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা বীৰ শ্বহিদসকললৈ শ্ৰদ্ধা নিবেদন কৰে। এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টো মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই কুচকাৱাজত ইন্দোনেচিয়াৰ ১৬০ গৰাকী আৰু ১৯০ গৰাকীৰ দুটা দলে অংশগ্ৰহণ কৰে।

স্বৰ্ণিম ভাৰত - ঐতিহ্য আৰু উন্নয়ন বিষয়বস্তুৰে সাজি উলিওৱা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ ৩১ টা প্ৰতীকপট এইবেলি গণৰাজ্য দিৱসৰ কুচকাৱাজত অন্তৰ্ভুক্ত হৈছে। এইবেলি গণৰাজ্য দিৱসৰ কুচকাৱাজত দেশৰ সভ্যতা, সংস্কৃতি আৰু বৈজ্ঞানিক প্ৰগতি প্ৰদৰ্শিত হয়। কুচকাৱাজত ৩শ গৰাকী বাদ্য শিল্পীয়ে সাৰে জাহাচে আচ্ছা গীতৰ লহৰ তোলে। সমাৰোহত আকাশমাৰ্গৰ পৰা হেলিকপ্তাৰযোগে ৰাষ্ট্ৰীয় পতাকাৰ আৰ্হিত পুষ্পবৃষ্টি কৰা হয়। শোভাযাত্ৰাত টি-৯০ টেংক, নাগমিছাইল প্ৰণালী, ব্ৰহ্মোছ, পিনাকা ৰকেট ব্যৱস্থা, অগ্নিবান ৰকেট লেন্সাৰ আদি প্ৰদৰ্শন কৰা হয়। গণৰাজ্য দিৱসৰ কুচকাৱাজত স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ জোৱানসকলে শক্তি প্ৰদৰ্শন কৰে। শোভাযাত্ৰাত হাৰিয়ানাৰ ভগৱত গীতা আৰু উত্তৰ প্ৰদেশৰ মহাকুম্ভৰ প্ৰদৰ্শনত দৰ্শক আপ্লুত হয়।

গণৰাজ্য দিৱসৰ এই কেন্দ্ৰীয় অনুষ্ঠানত দহ হাজাৰ বিশিষ্ট লোকক আমন্ত্ৰণ জনোৱা হৈছিল। ইয়াৰে ভিতৰত পঞ্চায়ত, হস্ত শিল্পী, আশা আৰু অঙ্গনবাড়ী কৰ্মী, খেতিয়ক আদিৰ লগতে বিভিন্ন ক্ষেত্ৰৰ লোকে আজি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে।

oooooo

সংসদত উত্থাপিত এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন পৰিকল্পনাই প্ৰশাসনলৈ সুস্থিৰতা আনিব, নীতি স্থবিৰতা দূৰ কৰিব, সম্পদৰ বিচ্যুতি ৰোধ কৰিব আৰু বিত্তীয় বোজা লাঘব কৰিব। এনেধৰণৰ ব্যাপক সংস্কাৰৰ বাবে সাহসী দৃষ্টিভংগীৰ প্ৰয়োজন বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশত ১৯৪৭ চনৰে পৰা ভাৰতীয় জনসাধাৰণৰ মাজত শিপাই থকা ঔপনিৱেসিক মানসিকতাৰ পৰিৱৰ্তনৰ বাবে শক্তিশালী প্ৰচেষ্টা চলি আছে। ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী কাৰ্যবিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ ঠাইত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধীনিয়ম প্ৰণয়নৰ সিদ্ধান্ত এনে প্ৰচেষ্টাৰ অন্যতম বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

তেওঁ কয়, যে নতুন ফৌজদাৰী আইন তিনিখনে শাস্তি প্ৰদানৰ পৰিৱৰ্তে ন্যায় প্ৰদানৰ বিষয়টো ফৌজদাৰী ন্যায় ব্যৱস্থাৰ মূল কেন্দ্ৰৰূপে পৰিগণিত কৰিছে।

oooooo

৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয়, যে ৰাজ্যখনৰ সৰ্বাত্মক বিকাশৰ বাবে অসম চৰকাৰে কাম কৰি আহিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে চৰকাৰৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত বিভিন্ন বিদ্ৰোহী গোটে অস্ত্ৰ সম্বৰণ কৰাৰ কথাও উল্লেখ কৰে।

ৰাজ্যপালগৰাকীয়ে কয়, যে অসমৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি পাইছে। ৰাজ্যৰ জনমুৰি আয় পূৰ্বৰ তুলনাত বৃদ্ধি হোৱা বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে।

বহু নতুন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠানসমূহে কাম কৰিবলৈ আৰম্ভ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত শিক্ষাখণ্ডৰ আন্তঃগাথনি উন্নয়ন অভূতপূৰ্বভাৱে বৃদ্ধি পাইছে বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে অসম চৰকাৰে যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে। ড্ৰাগছ সৰবৰাহ, মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধ, বাল্য বিবাহ, মানৱ সৰবৰাহ, বন্য প্ৰাণী সৰবৰাহ, চাইবাৰ অপৰাধ আদিৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ নীতি গ্ৰহণ কৰা বুলিও তেওঁ উল্লেখ কৰে।

মিছন বসুন্ধৰাৰ পূৰ্বৰ দুটা পৰ্যায়ৰ সফল ৰূপায়ণৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ২০২৪ চনৰ অক্টোবৰত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় আৰম্ভ কৰিছে। প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ৭ লাখ হিতাধিকাৰীলৈ ৩৫০

কোটি টকা মুকলি কৰি দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। বিগত বৰ্ষত ৬৬ লাখ পৰিয়ালক নগদবিহীন বীমাৰ দ্বাৰা সামৰি লোৱাৰ কথাও শ্ৰীআচাৰ্যই প্ৰকাশ কৰে।

জলজীৱন অভিযানৰ অধীনত অসম চৰকাৰে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে ইয়াৰ দ্বাৰা জনসাধাৰণলৈ বিশুদ্ধ খোৰাপানীৰ যোগান সুনিশ্চিত কৰা হৈছে। জলজীৱন আঁচনিৰ অধীনত ৫৮ লাখতকৈও অধিক লোকৰ ঘৰত নলযোগে খোৰাপানীৰ যোগান ধৰা হৈছে। গাওঁসমূহৰ উন্নয়নৰ বাবে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰখাৰ কথা প্ৰকাশ কৰি ৰাজ্যপাল শ্ৰীআচাৰ্যই কয়, যে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত বৰ্তমানলৈ ১৯ লাখ ৫০ হাজাৰ টা পকী গৃহ নিৰ্মাণ কৰা হৈছে। গ্ৰামীণ নিয়োগৰ ক্ষেত্ৰত এম জি এনৰেগাৰ অধীনত বহু লোকে কৰ্মসংস্থাপন লাভ কৰিছে। ইপিনে, ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ দ্বাৰা এশ শতাংশ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰকৰণৰ দিশত দেশৰ ভিতৰতে অসমে প্ৰথম স্থান লাভ কৰাৰ কথাও ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

০০০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱস দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত উদযাপন কৰাৰ বাতৰি আমালৈ আহিছে। মহাৰাষ্ট্ৰত চত্ৰপতি শিৱাজী মহাৰাজ খেলপথাৰত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰত ৰাজ্যপাল কে টি পাৰনায়কে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। লাক্ষাদ্বীপত লাক্ষাদ্বীপ প্ৰশাসনৰ উপদেষ্টা সন্দিপ কুমাৰে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। আন্দামান নিকোবৰতো ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। উপ ৰাজ্যপাল দি কে যোশীয়ে আন্দামান নিকোবৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। কৰ্ণাটক, নাগালেণ্ড, বিহাৰ, চত্তিশগড়, আদিতো গণৰাজ্য দিৱসৰ পতাকা উন্মোচন কৰা হয়।

০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। গণৰাজ্য দিৱসত ৰাষ্ট্ৰীয় পতাকাৰ তলত থিয় হৈ আমাৰ ৰাষ্ট্ৰখনক এখন বিকশিত ৰাষ্ট্ৰলৈ লৈ যোৱাৰ অমৃত যাত্ৰাৰ সহযোগী হবলৈ মুখ্যমন্ত্ৰীৰ ড০ শৰ্মাই অসমবাসীলৈ আহ্বান জনাইছে। ৰাজ্যত শান্তিৰ নিজৰা ব'বলৈ আৰম্ভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যোৱা কেইবছৰমানৰ ভিতৰত ৰাজ্যখনে কেইবাটাও উল্লেখযোগ্য সফলতাৰ বিষয়ে আলোকপাত কৰে। ২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰা, চৰাইদেউৰ মৈদামক্ষেত্ৰসমূহে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰা, বিহুৱে গ্ৰিনিজ বুক ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰা, লাচিত বৰফুকনৰ প্ৰতিমুৰ্তিয়ে দেশৰ ভিতৰতে অনন্য স্থান পোৱা আদি বিষয়সমূহ উল্লেখ কৰে। কেৱল সাংস্কৃতিক স্বাভিমানেই নহয় অৰ্থনৈতিক ক্ষেত্ৰতো ৰাজ্যখনৰ উন্নয়নৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া টাটা চেমিকনডাক্টৰ প্ৰকল্পই ২০২৫ চনৰ নৱেম্বৰ মাহত অসমৰ পৰা ৪৮ মিলিয়ন ছিপ ৰপ্তানী কৰাৰ সংকল্প লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মানমূহ ঘোষণা কৰা হৈছে। এইবেলি মুঠ ১৩৯ গৰাকী বিশিষ্ট ব্যক্তিলৈ এই সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে ভিতৰত ৭ গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বিভূষণ, ১৯ গৰাকীক পদ্মভূষণ আৰু ১১৩ গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হৈছে। ১৩ গৰাকীলৈ মৰণোত্তভাৱে এই বঁটা আগবঢ়োৱা হৈছে।

ভাৰতীয় লেখক এম টি ৱাসুদেৱন নায়াৰ, ছুজুকি মটৰ কৰ্পোৰেচনৰ প্ৰাক্তন অধ্যক্ষ ওছামা ছুজুকি আৰু গায়িকা সাৰদা সিনহাক মৰণোত্তৰভাৱে পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰা হৈছে। বিশিষ্ট গায়ক পংকজ উধাস আৰু অৰ্থনীতিবিদ বিবেক দেৱৰয়লৈ মৰণোত্তৰভাৱে পদ্ম ভূষণ সন্মান আগবঢ়াইছে। হকী খেলুৱৈ পি আৰ সৃজেশকো পদ্ম ভূষণ সন্মানেৰে বিভূষিত কৰা হৈছে। ক্ৰিকেটাৰ আৰ অশ্বিন আৰু ফুটবল খেলুৱৈ আই এম বিজয়নক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছে।

পদ্ম সন্মান লাভ কৰা সকলৰ ভিতৰত অসমৰো ৫ গৰাকী বিশিষ্ট্য ব্যক্তি আছে। যশস্বী নৃত্য শিল্পী, সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন গোস্বামীলৈ চলিত বৰ্ষৰ পদ্মভূষণ সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো, গীতা উপাধ্যায় আৰু ডিমা হাচাও জিলাৰ প্ৰবীন লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰী, কলাৰ ক্ষেত্ৰত ৰেবকান্ত মহন্তলৈ ২০২৫ বৰ্ষৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেবাখনো ৰাজ্যৰ বিশিষ্ট ব্যক্তিয়ে এইবাৰ পদ্ম সন্মান লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম সন্মান লাভ কৰা বিশিষ্ট ব্যক্তিসকলক অভিনন্দন জনাইছে। শ্ৰী মোদীয়ে কালি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই ব্যক্তিসকলৰ অসাধাৰণ সাফল্যক সন্মান জনাবলৈ পাই দেশ গৌৰৱান্বিত হৈছে। পদ্ম সন্মান প্ৰাপকসকলৰ নিষ্ঠা আৰু দৃঢ়তা সঁচাকৈ প্ৰেৰণাদায়ক বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে পদ্ম সন্মান লাভ কৰা প্ৰতিগৰাকী  ব্যক্তি কঠোৰ পৰিশ্ৰম, উৎসাহ, নিষ্ঠা আৰু উদ্ভাৱনৰ প্ৰতিমূৰ্তিস্বৰূপ। এই ব্যক্তিসকলে অগণন লোকৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলোৱা বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে।

oooooo

ঃঃ সমাপ্ত ঃঃ